# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM-HC-3016

( অসমীয়া সাহিত্য প্ৰৱেশ )

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা : ১×১০=১০

(ক) এলাগীৰ জীয়েকৰ নাম কি ?

(খ) মমতাৰ পুতেকৰ নাম কি বুলি 'মমতাৰ চিঠি' কবিতাটিত উল্লেখ আছে ?

(গ) কৃষ্ণকান্ত সন্দিকৈদেৱৰ ব্যক্তিগত পুথিভঁৰালত অসমীয়া ভাষাৰ উপৰি আৰু কিমানটা ভাষাৰ কিতাপ আছে বুলি লেখকে বৰ্ণনা কৰিছে ?

(ঘ) 'জীৱনৰ অমিয়া'ত উল্লেখ কৰা কৰ্তব্য পালন কিহৰ মহামন্ত্ৰ ?

(ঙ) 'মকৰা পেস্কাৰ' শীৰ্ষক প্ৰবন্ধটিত অসমৰ কোনখিনি সময়ৰ বৰ্ণনা পোৱা যায় ?

(চ) টেপুৰামৰ ঘৰ ক'ত ?

(ছ) 'মানুহ শংকৰদেৱ' কোন শ্ৰেণীৰ ৰচনা ?

(জ) 'জীৱন-বৃত্ত'ৰ প্ৰথম প্ৰকাশ কেতিয়া হৈছিল ?

(ঝ) 'প্ৰসংগ-কোষ' কোনে ৰচনা কৰিছিল ?

(ঞ) হেবাং কোন ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) 'জীৱনৰ অমিয়া' প্ৰবন্ধটিত উল্লেখ থকা দুই শ্ৰেণীৰ মানুহ কি কি ?

(খ) 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসখনৰ মূল চৰিত্ৰটোৰ নাম কি? পাছলৈ চৰিত্ৰটো কি নামেৰে পৰিচিত হৈছিল ?

(গ) নৱকান্ত বৰুৱাৰ দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ঘ) 'মমতাৰ চিঠি' কবিতাটিত থকা 'শুধ বগা' আৰু 'পখৰা'-ৰ জৰিয়তে কি কথাৰ ইংগিত দিয়া হৈছে ?

(ঙ) অমলা কোন? তেওঁ কোন কলেজত পঢ়িছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) হীৰেন ভট্টাচাৰ্যৰ 'শৱসন্ধান' কবিতাটিৰ অন্তৰ্নিহিত কথাখিনি বুজাই লিখা।

(খ) হৰিবল ককায়ে বৰশীৰ ৰছী কেনেধৰণে প্ৰস্তুত কৰিছিল, বুজাই লিখা।

(গ) নাৰীৰ প্ৰতি শংকৰদেৱৰ মনোভাব 'মানুহ শংকৰদেৱ' প্ৰবন্ধত হীৰেন গোহাঁইদেৱে কেনেদৰে বৰ্ণনা কৰিছে, আলোচনা কৰা।

(ঘ) কৃষ্ণকান্ত সন্দিকৈদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ক তেওঁৰ ব্যক্তিগত পুথিভঁৰালটো দান কৰোঁতে আৰোপ কৰা চৰ্তবোৰ কি কি, চমুকৈ লিখা।

(ঙ) 'কথা চহকী মাৰ্কিন ডেকাৰ সংগসুখ' প্ৰবন্ধটিত আমেৰিকা শিক্ষাৰ দিশটো কেনেদৰে বৰ্ণনা কৰিছে, লিখা।

(চ) 'মেকং নৈ দেখিলোঁ' গ্ৰন্থত বৌদ্ধ মূৰ্তি সম্পৰ্কত কি মন্তব্য কৰিছে, চমুকৈ লিখা।

৪। (ক) 'চম্পাৱতীৰ সাধু'ত অসমীয়া সমাজ-জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, লিখা। ১০

*অথবা*

(খ) 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসত থকা বৰ্ণনা অনুসৰি বাপুকণৰ শৈশৱ কেনেদৰে পাৰ হৈছিল, লিখা।

৫। (ক) 'দুখন ভৰি' গল্পটিৰ সত্যেন চৰিত্ৰটিৰ বিষয়ে চমুকৈ লিখা। ১০

*অথবা*

(খ) 'মমতাৰ চিঠি' কবিতাটিত নাৰী মনস্তত্ত্ব কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৬। (ক) 'মকৰা পেস্কাৰ' ৰচনাখনত প্ৰাক্-স্বাধীনতা কালৰ অসমৰ ৰাজনৈতিক জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, বৰ্ণনা কৰা। ১০

*অথবা*

(খ) 'জীৱন বৃত্ত'ত ভবেন্দ্ৰনাথ শইকীয়াই পিতৃ-মাতৃৰ কথা কেনেদৰে বৰ্ণনা কৰিছে, লিখা।

৭। (ক) 'মেকং নৈ দেখিলোঁ' ভ্ৰমণ কাহিনীখনত হেম বৰুৱাই বেংকক চহৰৰ বৰ্ণনা কিদৰে কৰিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) দেৱকান্ত বৰুৱাৰ 'লাচিত বৰফুকন' কবিতাটিৰ তাৎপৰ্য বিশ্লেষণ কৰা।

★★★

**2 0 2 1**

( Held in 2022 )

ASSAMESE

Paper : ASM–HC–3026

**( Asamiya Kabitar Chaneki )**

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া : ১×১০=১০

(ক) মাধৱ কন্দলী কোন ৰজাৰ পৃষ্ঠপোষকতাত সাহিত্য-চৰ্চা কৰিছিল ?

(খ) 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চিত্ৰাৱলী চতুৰ্দ্দশীৰ খেলা' নামৰ কবিতাটিত উল্লেখিত নদীখনৰ নাম কি ?

(গ) মহাপুৰুষ শংকৰদেৱে 'ৰামায়ণ'ৰ কোনটো কাণ্ড অনুবাদ কৰিছিল ?

(ঘ) অসমীয়া সাহিত্যত 'ব্যাস' বুলিলে কোনজন কবিক বুজায় ?

(ঙ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' নামৰ কাব্যপুথিখনি কিমান চনত প্ৰকাশ পাইছিল?

(চ) ৰঘুনাথ চৌধাৰীৰ প্ৰথম প্ৰকাশিত কবিতাপুথিখনৰ নাম কি?

(ছ) 'কলংপৰীয়া কবি' বুলি কোনগৰাকী কবিক কোৱা হয়?

(জ) 'পলস' শব্দৰ অৰ্থ লিখা।

(ঝ) অজিত বৰুৱাই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছে?

(ঞ) 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত' কবিতাটি নীলমণি ফুকনৰ কোনখন কাব্যগ্ৰন্থৰ পৰা লোৱা হৈছে?

২। তলত দিয়াবোৰৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) "নানাবিধ ভোগ সুখ সৱে পৰিহৰি।
ৰাজপুত্ৰ গুচি ভৈলা বনৰ ভিখাৰী॥"

কবিতাংশটো কোন কবিৰ, কোনটো কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে?

(খ) 'নিমি নৱসিদ্ধ সংবাদ' আৰু 'পাঞ্চালী বিবাহ' গ্ৰন্থ দুখনৰ ৰচক দুগৰাকীৰ নাম লিখা।

(গ) ৰোমাণ্টিক কবিতাৰ দুটি বিশেষ লক্ষণ উল্লেখ কৰা।

(ঘ) "আজি আকৌ মেজাংকৰিৰ এঙাচোলা পিন্ধি ৰ'দ লৈছোঁ"—ইয়াত উল্লেখিত 'মেজাংকৰি' শব্দটোৰ অৰ্থ কি?

(ঙ) 'অন্ত্যজা' আৰু 'বান্দৰ' কবিতা দুটিৰ কবি দুগৰাকীৰ নাম লিখা।

৩। তলত দিয়াবোৰৰ প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) "কোকিল ভ্ৰমৰ পক্ষী ময়ূৰৰ ৰাৱে।
কাম ব্যাধি পীড়িয়া নসহে মোৰ গাৱে॥"

(খ) "অলপ পানীৰ মৎস্য নজানিল
শুখাই টুটি পৰৈ পানী।
আয়ু যায় নিত তাত নেদে চিত
যেন মহা মূঢ় প্ৰাণী॥"

(গ) "ক'ৰ কোন কিবা হ'ল
চিৰস্মৃতি পমি গ'ল
প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল।"

(ঘ) "মৰুময় মোৰ জীৱনত সখী!
তুমি কবিতাৰ একেটি সুঁতি।"

(ঙ) "উৰুখা পানীয়ে উটাই নিয়ক মৰা মকৰাৰ খোলা।
আমাৰ পলসে সাৰুৱা কৰক কলঙৰ দুটি কূল!"

(চ) "শূন্যতাৰ হাতৰ পৰা সৰি পৰিল
দিনৰ হিৰণ্ময় হৃদয় পাত্ৰ
নিঃশব্দে সৰি পৰিল
আৰু বুৰ গ'ল"

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

৪। (ক) 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটিৰ মাজেৰে প্ৰকৃতিৰ মনোৰম সৌন্দৰ্য কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

*অথবা*

(খ) দুৰ্গাবৰৰ 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চিত্ৰাৱলী চতুৰ্দ্দশীৰ খেলা' কবিতাটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

৫। (ক) ৰামসৰস্বতীৰ 'দ্ৰৌপদীৰ বিলাপ' কবিতাটিৰ মূলভাব পৰ্যালোচনা কৰি কবিতাটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

*অথবা*

(খ) ধ্ৰুপদী কবিতা বুলিলে কি বুজা? অসমীয়া ধ্ৰুপদী কবিতাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

৬। (ক) ৰঘুনাথ চৌধাৰীৰ 'অন্তিম জ্যোতি' কবিতাটিৰ মাজেৰে ৰোমাণ্টিক কবিতাৰ কোনবোৰ লক্ষণ পৰিস্ফুট হৈছে, আলোচনা কৰা।

*অথবা*

(খ) 'মনোৰমা' কবিতাটিৰ মাজেৰে কবি দেৱকান্ত বৰুৱাৰ পাৰ্থিৱ প্ৰেম কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৭। (ক) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ ভাবাৰ্থ মুকলি কৰি ইয়াত সাম্প্ৰতিক কবিতাৰ কোনবোৰ বৈশিষ্ট্য প্ৰতিফলিত হৈছে, বিচাৰ কৰা।

*অথবা*

(খ) সাম্প্ৰতিক কবিতাৰ বৈশিষ্ট্যসমূহ সামৰি এটি প্ৰবন্ধ যুগুত কৰা।

★★★

# 2021

( Held in 2022 )

# ASSAMESE

Paper : ASM-HC-3036

**( Culture of Assam )**

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমৰ এটি মাতৃপ্ৰধান জনগোষ্ঠীৰ নাম লিখা।

(খ) 'চমাংকান' অসমৰ কোনটো জনগোষ্ঠীৰ উৎসৱ ?

(গ) *Mother Goddess Kamakhya* গ্ৰন্থখনৰ ৰচক কোন ?

(ঘ) অসমত বসবাস কৰা মংগোলীয় প্ৰজাতিৰ এটি জনগোষ্ঠীৰ নাম লিখা।

(ঙ) ফাগুন মাহৰ প্ৰথম বুধবাৰটোত মিচিংসকলে কি উৎসৱ পালন কৰে ?

(চ) 'বাথৌ-ব্ৰাই' কোন জনগোষ্ঠীৰ উপাস্য দেৱতা ?

(ছ) 'গাঁথিয়ন খুন্দা' লোকাচাৰৰ লগত কোনটো উৎসৱ জৰিত ?

(জ) অসমৰ যি কোনো এটি পৰিৱেশ্য কলাৰ নাম লিখা ।

(ঝ) আহোম যুগৰ এটি স্থাপত্যৰ নাম লিখা ।

(ঞ) শুভংকৰ কবিয়ে ৰচনা কৰা নৃত্য-বিষয়ক গ্ৰন্থখনৰ নাম কি ?

২ । চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) সংস্কৃতিৰ দুটা বৈশিষ্ট্য লিখা ।

(খ) অসমৰ দুখন শক্তিপীঠৰ নাম লিখা ।

(গ) প্ৰাচীন অসমত চৰাইৰ দ্বাৰা খেলোৱা দুবিধ খেলৰ নাম লিখা ।

(ঘ) অসমৰ প্ৰাচীন স্থাপত্যবোৰ স্থায়ী হৈ নথকাৰ দুটা কাৰণ উল্লেখ কৰা ।

(ঙ) "অসমত প্ৰচলিত পৰিৱেশ্য কলাসমূহক মূলত দুটা ভাগত ভাগ কৰিব পাৰি ।" ভাগ দুটা কি কি ?

৩ । যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) "সংস্কৃতি সামাজিক উত্তৰাধিকাৰ ।" কথাষাৰ ব্যাখ্যা কৰা ।

(খ) অসমীয়া জাতিগঠন প্ৰক্ৰিয়া সম্পৰ্কে চমুকৈ লিখা ।

(গ) কৃষি উৎসৱ হিচাপে মহোহো *অথবা* ভঠেলিৰ এটি আলোচনা আগবঢ়োৱা।

(ঘ) গোৱালপাৰা অঞ্চলত প্ৰচলিত এবিধ পৰিৱেশ্য কলাৰ পৰিচয়মূলক টোকা লিখা।

(ঙ) অসমীয়া সমাজত প্ৰচলিত জন্ম-সম্পৰ্কীয় লোকাচাৰৰ বিষয়ে চমুকৈ লিখা।

(চ) আহোম যুগত প্ৰচলিত খেল-ধেমালিসমূহৰ এটি চমু আভাস দিয়া।

৪। (ক) অসমৰ জনজাতীয় সংস্কৃতিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) "বিভিন্ন জাতি-উপজাতিক ঐক্যবদ্ধ কৰি এক অসমীয়া জাতিগঠন আহোমসকলৰ অতুলনীয় কীৰ্তি।" এই উক্তিৰ আধাৰত অসমীয়া জাতিগঠন প্ৰক্ৰিয়াত আহোমসকলৰ অৱদান সম্পৰ্কে লিখা।

৫। (ক) প্ৰাচীন কালৰ পৰা অসমত প্ৰবাহিত হৈ থকা শাক্ত ধৰ্মৰ ধাৰা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) অসমৰ সত্ৰীয়া সংস্কৃতিয়ে অসমীয়া সমাজ-জীৱনক কিদৰে সমৃদ্ধ কৰিছে, আলোচনা কৰা।

৬। (ক) বিহু গীতবোৰৰ মাজত অসমৰ কৃষিজীৱী সমাজ-জীৱনৰ চিত্ৰ কিদৰে চিত্ৰিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

(খ) বিহু উৎসৱৰ লগত কৃষি-সম্পৰ্কীয় কেনেধৰণৰ লোকবিশ্বাস প্ৰচলন আছে, আলোচনা কৰা।

৭। (ক) প্ৰাচীন অসমত স্থাপত্য নিৰ্মাণত কেনেধৰণৰ কেঁচা সামগ্ৰী ব্যৱহাৰ কৰিছিল? অসমৰ স্থাপত্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) অসমৰ সচিত্ৰ পুথিসমূহৰ এটি ৰূপৰেখা তুলি ধৰা।

★★★